অসম বিধান সভা
উত্তৰ দানৰ তাৰিখ- ১৬/০৩/২০২২
**তৰাবিহীন প্ৰশ্ন নং- ৫৮**
বিষয়: সীমা সমস্যা
শ্ৰীদেৱব্ৰত শইকীয়া :

মাননীয় সীমা সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম আৰু চুবুৰীয়া ৰাজ্যসমূহৰ সীমা সমস্যা সমাধানৰ বাবে বিগত ৫ বছৰত অসম চৰকাৰৰ হৈ লোৱা পদক্ষেপসমূহৰ তথ্য দিব ।

(খ) এই ক্ষেত্ৰত অসম চৰকাৰৰ পৰৱৰ্তী স্থিতি যেনে-
১। উচ্চতম ন্যায়ালয়ত গোচৰ আৰু তাৰ স্থিতি ।
২। সীমা আয়োগ গঠন, সীমা আয়োগৰ ৰায়দান তাৰ পৰৱৰ্তী স্থিতি ।
৩। ত্ৰি-পাক্ষিক বৈঠক, বৈঠকৰ ফলাফল আৰু বৈঠকৰ সিদ্ধান্তৰ ওপৰত অসম চৰকাৰৰ স্থিতি আদি প্ৰতিখন ৰাজ্যৰ বাবে পৃথক পৃথককৈ উল্লেখ কৰিব ।

(গ) অসম চৰকাৰে অসম-মেঘালয় সীমান্ত অঞ্চলত বসবাস কৰা জনসাধাৰণৰ প্ৰতিবাদ স্বত্বেও সদ্যহতে ৬ বিবাদিত অঞ্চলৰ ভূমি মেঘালয়ক হস্তান্তৰ কৰিবলৈ একপক্ষীয়ভাৱে লোৱা সিদ্ধান্তৰ পুনৰ বিবেচনা কৰিবনে ?

(ঘ) এই অঞ্চলসমূহত অসম চৰকাৰৰ বিদ্যালয়, অসমৰ নামঘৰ, সত্ৰ আদি থকাৰ পিছতো মেঘালয়ৰ আগ্ৰাসন ৰোধ নকৰি মেঘালয়ক হস্তান্তৰ কৰাৰ কাৰণ জনাবনে ?

(ঙ) অসম-অৰুণাচল সীমান্তৰ অসমৰ বনাঞ্চলত অৰুণাচল চৰকাৰে পথ নিৰ্মাণ আদি কৰাৰ তথ্য অসম চৰকাৰে লাভ কৰিছেনে জনাব । এনেদৰে বনাঞ্চলত আগ্ৰাসন কৰাৰ বিৰুদ্ধে অসম চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে, জনাবনে ?

(চ) অসম-নাগালেণ্ড সীমান্তৰ মুঠ কিমান ৰাজহ আৰু বন ভূমি চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ দখলত আছে জনাবনে ? এই ভূমিক অসমত অন্তৰ্ভুক্ত কৰাৰ বাবে অসম চৰকাৰে কেনেধৰণৰ ব্যৱস্থা লৈছে ?

<u>উত্তৰ</u> :

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীযুত অতুল বৰা দেৱে উত্তৰ দিব ।

(ক) অসম আৰু চুবুৰীয়া ৰাজ্যসমূহৰ সীমা সমস্যা সমাধানৰ বাবে বিগত ৫ বছৰত অসম চৰকাৰৰ হৈ অৰুণাচল প্ৰদেশ, মিজোৰাম, মেঘালয় আৰু নাগালেণ্ডৰ লগত বিভিন্ন পৰ্য্যায়ৰ যেনে মূখ্যমন্ত্ৰী পৰ্য্যায়, মূখ্য সচিব পৰ্য্যায়ত বিভিন্ন সময়ত আলোচনা কৰি থকা হৈছে । ইয়াৰোপৰি আন্তঃৰাজ্যিক সীমাসমূহৰ বিভিন্ন ৰাস্তা-ঘাট, সাংস্কৃতিক গৃহ আদি নিৰ্মাণৰ কাম বিভিন্ন সময়ত কৰি থকা হৈছে আৰু প্ৰয়োজন অনুসাৰে BOP নিৰ্মাণ কৰি থকা হৈছে ।

(খ) ১) **<u>অসম-নাগালেণ্ড</u>** :
অসম আৰু নাগালেণ্ডৰ আন্তঃৰাজ্যিক সীমা নিৰ্ধাৰণ কৰিবলৈ, অসমৰ ভূমিত নাগালেণ্ডৰ আগ্ৰাসন ৰোধ কৰিবলৈ আৰু নাগালেণ্ড চৰকাৰে অসমৰ ভিতৰত ভোটকেন্দ্ৰ পতাত বাধা দিবলৈ ইত্যাদি কাৰণত অসম চৰকাৰে মাননীয় উচ্চতম ন্যায়ালয়ত Original Suit No. 02 of 1988 (State of Assam-vs-Union of India, Election Commission of India & State of Nagaland) গোচৰ তৰে । বৰ্তমানে এই গোচৰ মহামাণ্য আদালতত বিচাৰাধীন হৈ আছে । অসম প্ৰদেশৰ সাক্ষীসমূহৰ পৰিক্ষণ সম্পূৰ্ণ হোৱাৰ পথত । অসমৰ সাক্ষীসমূহৰ পৰিক্ষণ সম্পূৰ্ণ হোৱাৰ পাচত নাগালেণ্ডৰ সাক্ষীসমূহৰ পৰিক্ষণ আৰু জেৰা কৰা হব ।

<u>অসম-অৰুণাচল প্ৰদেশ :</u>
অসম চৰকাৰৰ তৰফৰ পৰা অসম-অৰুণাচল প্ৰদেশৰ আন্তঃৰাজ্যিক সীমা নিৰ্ধাৰণ কৰি নিৰ্দেশনা দিবলৈ মহামান্য উচ্চতম ন্যায়ালয়ত Original Suit No. 01 of 1989 (State of Assam-vs-Union of India, State of Arunachal Pradesh) গোচৰ তৰা হৈছে । অসমৰ সাক্ষীৰ সাক্ষ্য গ্ৰহণ সম্পূৰ্ণ হৈছে । বৰ্তমান গোচৰটো পদকীয়া অৰুণাচল প্ৰদেশৰ সাক্ষীৰ সাক্ষ্য গ্ৰহণৰ নিৰ্দেশৰ বাবে মহামান্য উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছে ।

মিজোৰাম আৰু মেঘালয়ৰ সৈতে বৰ্তমান উচ্চতম ন্যায়ালয়ত কোনো গোচৰ নাই ।

২) <u>অসম-নাগালেণ্ড</u> :
মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমতে অসম আৰু নাগালেণ্ডৰ সীমা নিৰ্ধাৰণ কৰিবলৈ Local Commission গঠণ কৰে । কিন্তু পৰৱৰ্তী সময়ত নাগালেণ্ড চৰকাৰে Local Commission গ্ৰহণ নকৰা বাবে মাননীয় উচ্চতম ন্যায়ালয়ে মধ্যস্থতাকাৰী (Mediators) নিয়োগ কৰে । মধ্যস্থতাকাৰীয়ে সীমা নিৰ্ধাৰণ কৰিবলৈ অপাৰগ হোৱাত এই গোচৰটো নিয়মিত গোচৰ (Regular Trial) হিচাবে আগ বাঢ়ে ।

**অসম-অৰুণাচল প্ৰদেশ :**

অসম আৰু অৰুণাচল প্ৰদেশৰ সীমা নিৰ্ধাৰণ কৰিবলৈ মহামাণ্য উচ্চতম ন্যায়ালয়ে ইং ২৫-০৯-২০০৬ তাৰিখে Local Commission নিয়োগ কৰে ।

Local Commission যে অৰুণাচল প্ৰদেশে দাবি কৰা ১২২ খন গাওঁ সমূহক নিম্নলিখিত ধৰণে ভাগ কৰিছে ।

- ৩১ খন গাওঁ কোনো ধৰণৰ সীমা বিবাদ নাই ।
- অৰুণাচল প্ৰদেশৰ ভিতৰত থকা ৪ খন অসমীয়া বাসী গাওঁ কেইখন অৰুণাচল প্ৰদেশে অন্তৰ্ভুক্ত কৰি নিয়মিত গাওঁ হিচাপে গ্ৰহণ কৰিব লাগে ।
- অৰুণাচলৰ ভিতৰত থকা ২৩ খন গাওঁৰ খেতিবাতিৰ ভূমি-ৰ অসমত থকা অংশ অৰুণাচল প্ৰদেশে দিয়া তথ্য মতে অসম চৰকাৰে আন্তঃৰাজ্যিক সীমা সলনি নকৰাকৈ নিয়মিত কৰিব লাগে ।
  অসমৰ ভিতৰত অৱস্থিত ৬৪ খন গাওঁৰ ৪ খন গাওঁৰ বাদে বাকী ৬০ খন গাওঁ অৰুণাচল প্ৰদেশ প্ৰশাসনৰ অন্তৰ্গত । এই ৬৪ খন গাওঁৰ ৪৬ খন গাওঁ ইং ২৩-০২-১৯৫১ তাৰিখৰ জাননীৰ হস্তান্তৰিত এলেকা (transferred area) বহিৰ্ভূত । বাকী ১৮ খন গাওঁ হস্তান্তৰিত এলেকা অন্তৰ্গত । সীমাৰ পৰা অসমৰ ভিতৰত ৩ কিমি. পৰ্যন্ত অৱস্থিত ৬০ খন গাওঁ অৰুণাচল প্ৰদেশৰ ভিতৰত আৰু ৪ খন গাওঁ অসমৰ ভিতৰত থাকিব লাগে বুলি Local Commission যে অনুমোদন কৰে ।
- অৰুণাচল প্ৰদেশে আয়োগৰ ওচৰত ২০০৭ চনত কৰা দাবিয়েই অন্তিম দাবি বুলি গণ্য কৰা হব । ইয়াৰ পৰৱৰ্তী সময়ত অৰুণাচল প্ৰদেশে কৰা ভূমি বেদখল / আগ্ৰাসন গণ্য কৰা নহব ।
- সংৰক্ষিত বনাঞ্চলৰ সংৰক্ষণৰ দায়িত্ব সংশ্লিষ্ট ৰাজ্যৰ দায়িত্বত থাকিব আৰু দুয়োখন ৰাজ্যই বনাঞ্চল বেদখলমুক্ত আৰু আগ্ৰাসন ৰোধ কৰিবলৈ ব্যৱস্থা লব ।
- সৰ্বশেষত আয়োগে উল্লেখ কৰে যে ভাৰতীয় সংবিধান মতে একমাত্ৰ সংসদেহে দুয়োখন ৰাজ্যৰ সীমা সলনি বা বদলি কৰিব পাৰে । গতিকে দুয়ো ৰাজ্যই সমিল মিলেৰে সীমা নিৰ্দিষ্ট কৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত-প্ৰতিবেদন দাখিল কৰি সীমা বিবাদ নিষ্পত্তি কৰিব পাৰিব ।

माननीয় উচ্চতম ন্যায়ালয়ে ০৪-০২-২০১৫ তাৰিখে দিয়া হুকুম মৰ্মে উল্লেখ কৰে যে Local Commission ৰ প্ৰতিবেদন খনে অসম আৰু অৰুণাচল প্ৰদেশৰ আন্তঃৰাজ্যিক সীমা বিবাদ সম্পূৰ্ণৰূপে (Finally) আৰু নিপুণভাৱে (Effectually) সমাধান নকৰে । সেয়েহে অসম চৰকাৰে দিয়া গোচৰটো "Regular trial upon framing issues" কৰি গোচৰটো আগবঢ়াবলৈ নিৰ্দেশ দিয়ে ।

৩) **অসম-মিজোৰাম :**

অসম আৰু মিজোৰামৰ ক্ষেত্ৰত যোৱা ২৩-০৮-২০১১ তাৰিখে V.C. (Video Conferencing) ৰ যোগে ত্ৰিপাক্ষিক আলোচনা হৈছিল আৰু তলত উল্লেখিত সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয় ।

i) অসম আৰু মিজোৰামে যোৱা ০৫-০৮-২০২১ তাৰিখে সন্মানীয় মন্ত্ৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ আৰু মিজোৰামৰ গৃহ মন্ত্ৰীয়ে স্বাক্ষৰ কৰা প্ৰস্তাৱসমূহ সম্পূৰ্ণৰূপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় ।

ii) পৰিস্থিতি অৱনতি হব পৰা কোনো কাৰ্য্য কৰাৰ পৰা দুয়োখন ৰাজ্যই বিৰত থকিব আৰু দুয়োখন ৰাজ্যৰ মাজত মতানৈক্য আঁতৰ কৰিবলৈ উমৈহতীয়া বৈঠকত মিলিত হব লাগে ।

এই বৈঠকৰ পিছত অসম চৰকাৰে কঠোৰভাবে সিদ্ধান্তসমূহ মানি চলিছে যদিও কিছু ঠাইত মিজোৰামৰ ফালৰ পৰা আগ্ৰাসন হৈ থকা দেখা যায় ।

**অসম-নাগালেণ্ড:**

অসম আৰু নাগালেণ্ডৰ সীমা নিৰ্ধাৰণৰ বাবে কোনো ত্ৰিপাক্ষিক বৈঠক হোৱা নাই ।

**অসম-অৰুণাচল প্ৰদেশ:**

কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশমৰ্মে অসম আৰু সেই সময়ৰ অৰুণাচল প্ৰদেশ কেন্দ্ৰীয় শাসিত ৰাজ্যৰ বিষয়াৰ উপস্থিতিত ১৯৭০ চনৰ পৰা ১৯৭৪ চনলৈ দুয়ো ৰাজ্যৰ সীমা জৰীপ কৰি আংশিক সীমা নিৰ্ধাৰণ কৰে । স্থানীয় অৰুণাচলী ৰাইজৰ বাধাৰ বাবে এই জৰীপ আধৰুৱা হৈ ৰয় । পৰৱৰ্তী ১২-০৪-১৯৭৯, তাৰিখত ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰী আৰু দুয়ো ৰাজ্যৰ মূখ্যমন্ত্ৰী দ্বয়ৰ মাজত হোৱা সিদ্ধান্তমৰ্মে Survey of India ক আহ্বায়ক আৰু ভাৰত চৰকাৰৰ প্ৰতিনিধি নিয়োগ কৰি আৰু দুয়ো ৰাজ্যৰ প্ৰতিনিধি লৈ উচ্চ ক্ষমতা সম্পন্ন ত্ৰিপাক্ষিক কমিটি (High Powered Tripartite Committee) এখন গঠন কৰে । এই কমিটিয়ে অসম আৰু অৰুণাচল প্ৰদেশৰ সীমা মেপত দেখুৱাই চহী কৰাৰ পাছত ১৯৮৪ চনত Survey of India যে পুনৰ সীমা জৰীপ কৰে যদিও অৰুণাচলী ৰাইজৰ বাধাৰ বাবে এই জৰীপ আধৰুৱা হৈ থাকে ।

(গ) অসম-মেঘালয় সীমা সমস্যা সমাধানৰ বাবে দুয়োখন ৰাজ্যই পৃথকে পৃথকে ৰিভয়, ৱেষ্ট খাচী হিলচ আৰু ইষ্ট জয়ন্তীয়া হিলচ জিলাৰ বাবে তিনিটাকৈ Regional Committee গঠন কৰে আৰু সেই Regional Committee ৰ সদস্যবোৰে সীমাৰ বিবাদিত অঞ্চল সমূহ ভ্ৰমণ কৰি স্থানীয় বাসিন্দাৰ মতামত লৈহে সীমা নিৰূপনৰ সিদ্ধান্ত গ্ৰহণ কৰে ।

(ঘ) Regional Committee ৰ সদস্যবোৰে সীমাবিবাদৰ অঞ্চল সমূহ ভ্ৰমণ কৰি স্থানীয় বাসিন্দাৰ ইচ্ছা মতে (willingness) সীমা নিৰূপন ব্যৱস্থা লয় । অসমৰ নামঘৰ, সত্ৰ সমূহ অসমৰ ভিতৰত ৰাখি সীমা নিৰূপনৰ সিদ্ধান্ত লোৱা হয় ।

(ঙ) অসম-অৰুণাচল সীমান্তৰ অসমৰ বনাঞ্চলত অৰুণাচল চৰকাৰে পথ নিৰ্মাণ আদি কৰাৰ তথ্য অসম চৰকাৰে লাভ কৰিছে ।

এনেবোৰ আগ্ৰাসনৰ বিৰুদ্ধে অসম চৰকাৰে বিভিন্ন পথ নিৰ্মাণৰ কাম বন্ধ কৰি দিছে আৰু সমান্তৰালভাৱে অৰুণাচল প্ৰদেশৰ লগত বিভিন্ন পৰ্য্যায়ত আলোচনা কৰি থকা হৈছে ।

(চ) অসম-নাগালেণ্ড সীমান্তৰ মুঠ কিমান ৰাজহ আৰু বন ভূমি চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ দখলত আছে তলত উল্লেখ কৰা হল ।

| ক্ৰমিক নং | জিলাৰ নাম | বনভূমি (হেক্টৰ) | ৰাজহভূমি (হেক্টৰ) |
|---|---|---|---|
| ১ | যোৰহাট | ১৮৬৫১.২৯ | ২৫৫.৩৩ |
| ২ | চৰাইদেউ | – | ২.৭০৪৩৬ |
| ৩ | গোলাঘাট | ৩৬২৯৪.২৭ | – |
| ৪ | শিবসাগৰ | ৪০০০.০০ | ২৩.৯০৩৯ |
| **মুঠ** | | **৫৮,৯৪৫.৫৬** | **২৮১.৯৩৮২৬** |

এই ভূমি অসমত অন্তৰ্ভূক্ত কৰাৰ বাবে ইতিমধ্যে মাননীয় উচ্চতম ন্যায়ালয়ত Original Suit No. 02 of 1988 (State of Assam-vs-Union of India, Election Commission of India & State of Nagaland) গোচৰ তৰা হৈছে ।নতুনকৈ হোৱা বেদখনকৃত ভূমি মুক্ত কৰিবৰ বাবে সংশ্লিষ্ট জিলা উপায়ুক্ত সমূহে আইনগত ব্যৱস্থা গ্ৰহণ কৰিছে ।

-x—xxx—x-